2026

ASSAMESE

(Major)

Paper : ASS4400104MJ

(অসমীয়া লোক-সাহিত্য অধ্যয়ন)

Full Marks : 60

Time : 2½ hours

The figures in the margin indicate full marks for the questions.

১। চমু উত্তৰ দিয়া : ১×৮=৮

(ক) 'অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা' গ্ৰন্থখনৰ লেখক কোন ?

(খ) বিহুগীতবোৰ কি ছন্দত ৰচিত ?

(গ) ভঠেলি উৎসৱত ব্যৱহৃত বাঁহডালক কি বোলে ?

(ঘ) শ্ৰমমূলক লোকগীতৰ এটা প্ৰকাৰৰ নাম লিখা।

(ঙ) চগ্ৰামিচাৰা উৎসৱ কোন জনগোষ্ঠীৰ লোক-উৎসৱ ?

(চ) মালিতা শব্দটোৰ ইংৰাজী প্ৰতিশব্দ কি ?

(ছ) সাঁথৰৰ আন এটা নাম কি ?

(জ) ''লোক-সাহিত্য হ'ল অখ্যাত কবিৰ বিখ্যাত ৰচনা''— কথাষাৰৰ বক্তা কোন ?

২। চমু উত্তৰ দিয়া (যি কোনো ছয়টা) : ২×৬=১২

(ক) লোক-সাহিত্য প্ৰধানকৈ কি কি ৰূপত পোৱা যায় ?

(খ) অনুষ্ঠানমূলক লোকগীতৰ ভাগ দুটা কি কি ?

(গ) ফাৰকান্তি আৰু চ'মাংকান কোন কোন জনগোষ্ঠীয়ে পালন কৰা উৎসৱ ?

(ঘ) মহোহো বা মহখেদা গীতৰ সমপৰ্যায়ৰ দুবিধ গীতৰ নাম লিখা।

(ঙ) নাঙেলী গীত অসমৰ কোন অঞ্চলত প্ৰচলিত ? এই গীত মূলত কোনে গায় ?

(চ) অসমীয়া সমাজত প্ৰচলিত দুটা প্ৰবাদ উল্লেখ কৰা।

(ছ) দুটা জনশ্ৰুতিমূলক মালিতাৰ নাম উল্লেখ কৰা।

(জ) অসমীয়া লোক-সাহিত্যৰ অন্তৰ্গত দুই প্ৰকাৰৰ দাৰ্শনিক ভাবাপন্ন গীতৰ নাম লিখা।

(Continued)

(ঝ) অসমত সাধুকথা বুজাবলৈ ব্যৱহাৰ কৰা দুটা প্ৰতিশব্দ লিখা।

(ঞ) অসমৰ গোৱালপাৰা অঞ্চলত প্ৰচলিত ভাৱাইয়া গীতৰ বিষয়বস্তু কি ? গোৱালপৰীয়া লোকগীতৰ এগৰাকী প্ৰখ্যাত শিল্পীৰ নাম লিখা।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) ধৰ্মনিৰপেক্ষ লোকগীত

(খ) মন্ত্ৰ সাহিত্য

(গ) ভেকুলী বিয়াৰ গীত

(ঘ) বৈচাগু

(ঙ) এউৰি মগা বা অ'ৰি মগা গীত

(চ) বাৰমাহী বিলাপ গীত

(ছ) সাধুকথা

(জ) প্ৰবাদ-প্ৰবচন

৪। ৰচনাধৰ্মী উত্তৰ দিয়া (যি কোনো দুটা) : ১০×২=২০

(ক) লোক-সাহিত্য বুলিলে কি বুজা ? লোক-সাহিত্যৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(খ) জনগোষ্ঠীয় লোক-সাহিত্য বুলিলে কি বুজা ? জনগোষ্ঠীয় লোক-সাহিত্য সম্পৰ্কে এটি টোকা যুগুত কৰা।

(Turn Over)

(গ) খেল-ধেমালিৰ লগত জড়িত গীত সম্পৰ্কে বহলাই লিখা।

(ঘ) মালিতা বুলিলে কি বুজা? মালিতাৰ শ্ৰেণী-বিভাজন কৰি যি কোনো তিনিটা ভাগৰ চমু বৰ্ণনা দিয়া।

(ঙ) সাঁথৰৰ শ্ৰেণী-বিভাজন কৰি উদাহৰণসহ আলোচনা কৰা।

★★★